Total No. of Printed Pages : 15

Subject Code : 01

**1002**

B23-AS

2023

512346

# ASSAMESE

## (Modern Indian Language)

*Full Marks : 100*
*Pass Marks : 30*

*Time : 3 hours*

*The figures in the margin indicate full marks for the questions.*

পৰীক্ষাৰ্থীয়ে একেখন বহীত GROUP-A (বিভাগ-ক) আৰু GROUP-B (বিভাগ-খ)-ৰ উত্তৰ কৰিব লাগিব।

*অথবা*

GROUP-A (বিভাগ-ক) আৰু GROUP-C (বিভাগ-গ)-ৰ উত্তৰ একেখন বহীত কৰিব লাগিব।

## GROUP-A
### (বিভাগ-ক)
(মূল্যাংক : ৭৫)

১। অতি চমু উত্তৰ লিখা : ১×২=২

(ক) কোনটো যুগক ভাৰতীয় সংস্কৃতিৰ বিস্তাৰ যুগ বুলিব পাৰি ?

(খ) 'সংমিশ্ৰণত অসমীয়া সংস্কৃতি' নামৰ পুথিখনৰ লেখক কোন ?

২। চমু উত্তৰ লিখা : (যি কোনো দুটা) ২×২=৪

(ক) ডিম্বেশ্বৰ নেওগৰ চাৰিখন কবিতাপুথিৰ নাম লিখা।

(খ) সুৰ-বস্তুৰ ওপৰত লোক সংগীতৰ প্ৰভাৱ বুলিলে কি বুজা ?

(গ) অসমৰ সংস্কৃতি বাৰেবৰণীয়া আৰু বৈচিত্ৰ্যপূৰ্ণ হোৱাৰ কাৰণ কি ?

৩। তলৰ যি কোনো এটা প্ৰশ্নৰ উত্তৰ লিখা : ৪

(ক) "কমাৰশালত গঢ়িবলৈ হ'লে আগতে জুইশালত গঢ়ি চাব লাগিব। সাতুৰিবলৈ শিকিবলৈ হ'লে পানীত ননমাকৈ নহয়।"

– কথাফাকিৰ তাৎপৰ্য তোমাৰ পাঠ্যপুথিৰ সহায়ত বুজাই লিখা।

(খ) "ভাৰত বুৰঞ্জীত কেনেকৈ স্থানীয় আৰু বহিৰাগতৰ মাজত এটা সাংস্কৃতিক সমন্বয় গঢ়ি উঠিছিল তাৰ প্ৰমাণো অলেখ আছে।"

– 'ভাৰতীয় সংস্কৃতি' পাঠটিৰ সহায়ত বুজাই লিখা।

৪। অতি চমু উত্তৰ লিখা : ১×২=২

(ক) পূজাৰ বন্ধত কুঁৱলীহঁত ক'লৈ যোৱাৰ সিদ্ধান্ত লৈছিল ?

(খ) ড. জয়শ্ৰী গোস্বামী মহন্তই ৰচনা কৰা শিশু-কিশোৰৰ উপযোগী দুখন গ্ৰন্থৰ নাম লিখা।

৫। চমু উত্তৰ লিখা : ২

"আটাইৰে মুখবোৰ শুকাই টেমি যেন হৈছে।"

– কাৰ, কি কাৰণত মুখবোৰ শুকাই টেমি যেন হৈছে ?

৬। উত্তৰ লিখা : ৪

(ক) "এটা মুদ্ৰাৰ দুটা পিঠিৰ দৰে এই বিশ্বব্ৰহ্মাণ্ডৰ প্ৰতিটো ভৌতিক বস্তুৰে ভাল আৰু বেয়া দুটা দিশ থাকে।"

– কথাষাৰ কোনে, কাক আৰু কিয় কৈছিল ?

নাইবা

(খ) "একোগৰাকী ব্যক্তিয়ে নিজৰ প্ৰতিভাৰে জাতীয় জীৱনত জিলিকি উঠি আন সহস্ৰজনৰ বাবে আশা আৰু প্ৰেৰণাৰ বতৰা কঢ়িয়াই আনে।"

- কথাষাৰৰ যুক্তিযুক্ততা অৰুণিমা সিন্‌হাৰ জীৱনৰ আধাৰত বুজাই লিখা।

Leorinfo

৭। অতি চমু উত্তৰ লিখা : ১ × ২ = ২

(ক) অনুৰাধা শৰ্মা পূজাৰীয়ে সাহিত্য আৰু সংবাদ সেৱাৰ স্বীকৃতি স্বৰূপে কি বঁটা লাভ কৰিছিল ?

(খ) ইৰাণীসকলে নৱবৰ্ষক কি বোলে ?

৮। "কামত ল'ৰা-ছোৱালী বুলি ভাগ নাই। যেনেকৈ কাম ভাগ কৰি দিছোঁ তেনেকৈ কৰা।" ২

– কথাষাৰৰ বক্তা কোন ? তেওঁ কিয় এই কথাষাৰ ক'বলগীয়া হৈছিল আঁতিগুৰি মাৰি লিখা।

৯। তলৰ যি কোনো এটা প্ৰশ্নৰ উত্তৰ লিখা : ৬

(ক) কাজিৰঙালৈ যাত্ৰা কৰি কি কি বিশেষ শিক্ষা লাভ কৰিলে বুলি শিক্ষাৰ্থীসকলে শিক্ষক-শিক্ষয়িত্ৰীসকলক অৱগত কৰিছিল ?

(খ) 'বুম্বেৰ' চহৰৰ এটা বিৱৰণ দিয়া।

১০। অতি চমু উত্তৰ লিখা : ১ × ২ = ২

(ক) 'মোহ-পাশ' মানে কি ?

(খ) জিকিৰ শব্দটো কি শব্দৰ পৰা ওলাইছে ?

Learnfo

১১। চমু উত্তৰ লিখা : ২ × ২ = ৪

(ক) কবি মাধৱদেৱৰ সাহিত্যিক কৰ্মৰাজিৰ ভাগ সমূহ দেখুওৱা।

(খ) জিকিৰ সমূহত ইছলাম ধৰ্মৰ কি কি কথা প্ৰকাশ কৰা হৈছে ?

১২। উত্তৰ লিখা : ৬

"মক্কাৰ দুৱাৰত চাহাব জীৱই মাৰে তালি।

যেনে শালে শ'লৰ লগত দৰিকাৰ টপালি ।।"

— কবিতাফাকিৰ অন্তৰ্নিহিত ভাৱটি বিশ্লেষণ কৰা।

১৩। তলৰ যি কোনো এটাৰ অতি চমু উত্তৰ লিখা : ১

(ক) ৰঘুনাথ চৌধাৰীক কিয় বিহগী কবি আখ্যা দিয়া হৈছে ?

(খ) অসমীয়া সাহিত্যত 'গল্প সম্রাট' বুলি কাক কোৱা হয় ?

(গ) পঁজা ঘৰটিত মানুহজনে কেনেদৰে আছিল ?

১৪। তলৰ যি কোনো দুটাৰ চমু উত্তৰ লিখা : ২ × ২ = ৪

(ক) 'প্ৰশস্তি' কবিতাটোত প্ৰকৃতিৰ সুধাৰ মাজত কিদৰে সুন্দৰৰ সাধনা লুকাই আছে বিৱৰি লিখা।

(খ) অসমলৈ যুদ্ধ কৰিবলৈ আহি মোগলসকলে অসমৰ ৰূপ কিদৰে বৰ্ণনা কৰিছে-বুজাই লিখা।

(গ) "হেৰা অচিনাকি মানুহজন, তোমাক কি লাগেহে ইয়াত ?"

— কোনে, কিয় কবিক এনেদৰে সুধিছে বুজাই লিখা।

Learnfo

১৫। উত্তৰ লিখা : ৪

(ক) মন্দিৰৰ উপেক্ষিত ৰবাব ফুলেও

দিছে যাচি প্ৰেম-পৰিমল।

— কবিতাফাকিৰ অন্তৰ্নিহিত ভাৱটি বিশ্লেষণ কৰা।

নাইবা

(খ) দৃশ্যান্তৰ কবিতাটোৰ মূলভাব লিখা।

১৬। (ক) তলৰ যি কোনো **এটাৰ** ব্যাসবাক্যসহ সমাসৰ নাম লিখা : ১

কুলাকণীয়া, ত্রিজগত, দম্পতি

(খ) তলৰ যি কোনো **এটা** শব্দৰ সন্ধি ভাঙা : ১

তৃষ্ণাতুৰ, যথাৰ্থ, অতীন্দ্রিয়

(গ) তলত দিয়া বাক্যটি সৰল বাক্যলৈ পৰিৱৰ্তন কৰা : ১

প্রমোদ পৰীক্ষাত প্রথম হৈছিল, সেইকাৰণেই তেওঁক সকলোৱে ভাল পাইছিল।

(ঘ) তলত দিয়া যি কোনো **এটা** শব্দৰ 'ণ' বা 'ষ' হোৱাৰ কাৰণ লিখা : ১

অপৰাহ্ন, পৰিণাম, পৰিষ্কাৰ

(ঙ) যথাস্থানত যতি চিহ্ন বহুওৱা : ১

ৰামে কৈছে হৰি যোৰহাটলৈ গ'ল

(চ) তলৰ যি কোনো **এটাৰ** অৰ্থ প্ৰকাশ হোৱাকৈ এটি বাক্য ৰচনা কৰা : ১

টৌতে খৰ মাৰি, সাত ঘাটৰ চেঙেলী, পোহাৰী চুপতি।

(ছ) তলৰ যি কোনো **এটা** শব্দৰ বিপৰীতাৰ্থক শব্দ লিখা : ১

আনন্দ, স্থাৱৰ, বন্ধন

(জ) **এটা** শব্দত প্রকাশ কৰা (যি কোনো **এটা**) : ১

যি সকলো জানে, যাৰ দুইহাত সমানে চলে, হঠাতে হোৱা ঘটনা।

Learnfo

(ঝ) তলত দিয়া যি কোনো **এটা** শব্দৰ প্ৰত্যয় ভাঙি দেখুওৱা : ১

পথিক, ঘৰচীয়া, খেতিয়ক

(ঞ) তলৰ যি কোনো **এটাৰ** সমাৰ্থক শব্দ লিখা : ১

নতুন, উছৰ্গা, হাট

১৭। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ৪

(ক) ভাব সম্প্ৰসাৰণ কৰা :

ৰাইজে নখ জোকাৰিলে নৈ বয়।

(খ) তোমাৰ বিদ্যালয়ৰ প্ৰধানলৈ তুমি বিদ্যালয়ত চাৰিদিন অনুপস্থিত থকাৰ কাৰণ দৰ্শাই ছুটী মঞ্জুৰিৰ বাবে এখন আবেদন লিখা।

(আবেদনত তোমাৰ নাম, ঠিকনা উল্লেখ নকৰিবা)

(গ) তোমাৰ অঞ্চলত বিশুদ্ধ খোৱা পানী যোগানৰ বাবে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ স্থানীয় বাতৰিকাকতৰ সম্পাদকলৈ এখন প্ৰতিবেদন লিখা।

১৮। তলত দিয়া যি কোনো **এটা** বিষয়ৰ ওপৰত **এখনি** ৰচনা লিখা : ৮

(ক) অসমৰ নিবনুৱা সমস্যা

(আৰম্ভণি – নিবনুৱা সমস্যা সৃষ্টি হোৱাৰ কাৰণ – সমাধানৰ উপায় – সামৰণি)

(খ) দূৰদৰ্শন

(আৰম্ভণি – দূৰদৰ্শনৰ আৱিষ্কাৰ – দূৰদৰ্শনৰ অপকাৰিতা – সামৰণি)

(গ) অসমত কাৰিকৰী শিক্ষাৰ ব্যৱস্থা

(আৰম্ভণি – কাৰিকৰী বিদ্যাৰ আৱশ্যকতা – কাৰিকৰী শিক্ষা আৰু বৰ্তমান অসম – সামৰণি)

Learnfo

১৯। 'বৈচিত্ৰ্যময় অসম' নামৰ দ্ৰুতপাঠত সন্নিৱিষ্ট অসমৰ যি কোনো দুটা জনগোষ্ঠীৰ উৎসৱ-পাৰ্বণ সম্পৰ্কে চমুকৈ লিখা। ২×২=৪

২০। তোমাৰ দ্ৰুতপাঠত সন্নিৱিষ্ট অসমৰ যি কোনো দুটা জনগোষ্ঠীৰ বিশেষভাৱে বৰঙনি যোগোৱা একোজনকৈ ব্যক্তিৰ বিষয়ে চমুটোকা লিখা। ৩×২=৬

---

Learnfo

## GROUP-B

### (বিভাগ-খ)

### (মূল্যাংক : ২৫)

২১ । তলত যি কোনো **এটাৰ** অতি চমু উত্তৰ লিখা : ১

(ক) 'বিষাদযোগ' পাঠটি ক'ৰ পৰা তুলি দিয়া হৈছে ?

(খ) নালন্দা বিশ্ববিদ্যালয়ৰ বিখ্যাত অধ্যক্ষজন কোন আছিল ?

২২ । চমু উত্তৰ লিখা : ২ × ২ = ৪

(ক) কুলক্ষয় দোষক কিয় মহাপাপ বোলা হৈছে ?

(খ) বিক্রমশীলা বিশ্ববিদ্যালয়ৰ বিষয়ে চমুটোকা লিখা ।

২৩ । উত্তৰ লিখা : ৩

(ক) তোমাৰ পাঠটিত উল্লেখ কৰা অনুসৰি পাণ্ডৱ সকলৰ যুদ্ধোৎসৱৰ বিষয়ে লিখা ।

**নাইবা**

(খ) প্ৰাচীন ভাৰতত কেইটা বিশ্ববিদ্যালয় আছিল ? প্ৰত্যেকৰে নাম লিখা ।

২৪ । অতি চমু উত্তৰ লিখা : ১ × ২ = ২

(ক) 'কানাইৰ চাতুৰী' নামৰ কবিতাটো কবিৰ কোনখন পুথিৰ অন্তৰ্গত ?

(খ) অম্বিকাগিৰী ৰায়চৌধুৰীয়ে গুৱাহাটীৰ কোনখন বিদ্যালয়ত শিক্ষা লাভ কৰিছিল ?

Learnfo

২৫। ' নহ'লে যে বিশ্ব-সভাত ২

ন হ'ব তোৰ বহাৰ ঠাই।'

— বিশ্ব সভাত বহাৰ ঠাই পাবলৈ কবিয়ে কি কৰিবলৈ নিৰ্দেশ দিছে ?

২৬। উত্তৰ লিখা : ৪

(ক) ব্ৰহ্মাণ্ডৰ সুখে থাকিলা যশোদা

কৃষ্ণৰ বদন চাই।

— যশোদাই কেনে সুখ লাভ কৰিছিল বৰ্ণনা কৰা।

নাইবা

(খ) পূজা দিলি পৰ চৰণত

জীৱন ঢালি ধাৰে-ঋণে —

- কোনে কাৰ চৰণত পূজা দিয়াৰ কথা কবিয়ে কৈছে, বুজাই লিখা।

Learnfo

২৭। (ক) তলৰ বাক্যটি শুদ্ধকৈ লিখা : ১

আজি কালি সকলোবোৰ স্কুল দহটা বজাত বহে।

(খ) 'অপ'উপসৰ্গ ব্যৱহাৰ কৰি এটা শুদ্ধ বাক্য লিখা। ১

(গ) গাখীৰখিনি পৰিল ________। ১

খালী ঠাইত উপযুক্ত অনুসৰ্গ বহুওৱা।

(ঘ) তলত দিয়া শব্দ দুটাৰ একোটাকে সমাৰ্থক শব্দ লিখা : ১

হাত, ঘিউ

(ঙ) তলত দিয়া যি কোনো এটা শব্দৰ আধুনিক ৰূপ লিখা : ১

শুতিয়া, হাবলি, পুহাইল।

২৮। তলত দিয়া যি কোনো দুটা ছন্দৰ সূত্ৰ লিখি উদাহৰণ দিয়া : ২ × ২ = ৪

ঝুমুৰী, চৰণ, পয়াৰ।

Learnfo

## GROUP-C

## (বিভাগ-গ)

(মূল্যাংক : ২৫)

1. Translate any **one** of the following into your mother language : **4**

তলৰ যি কোনো এটা তোমাৰ মাতৃভাষালৈ অনুবাদ কৰা :

(a) अहं भारतवर्षस्य नागरिकः । युष्माकं व्यवहारः नम्रः ।

अस्माकं कार्यम् अध्ययनम् । मम नाम कादम्बरी ।

(b) विंशतयः बालिकाः क्रीडन्ति । चत्वारिंशत् धेनवः सन्ति ।

विद्यालये छात्राः पठन्ति । ग्रन्थागारे सहस्रं पुस्तकानि सन्ति ।

(c) अहं जानामि यत् विद्यालये गृहे वा सम्यग्रूपेण, यत्नेन सह पठनं कुर्यात् । परन्तु छात्रजीवने पठनमेव प्रधानं किम् ?

https://www.assamboard.com

Learnfo

2. Answer any **one** of the following : **2**

তলৰ যি কোনো এটাৰ উত্তৰ লিখা :

(a) What are the characteristics of उत्तम पुरुष ?

উত্তম পুৰুষৰ লক্ষণ কি ?

(b) What are the importance of sports in student life.

ছাত্ৰজীৱনত ক্ৰীড়াৰ আৱশ্যকতা কি ?

[redacted]

3. Fill in the blanks in the following verse with appropriate words : **3**

উপযুক্ত শব্দৰে খালী ঠাই পূৰণ কৰা :

_______ लोकं जयति _______ दीनताम् ।

गुरून् शुश्रूषया जीयाद्धनुषा एव _______ ।

**OR / অথবা**

वृश्चिकस्य _______ पुच्छं मक्षिकाया: विषं _______ ।

तक्षकस्य विषं _______ सर्वांगं दुर्जनस्य च ।।

4. Answer the following questions in Sanskrit : **1 × 3 = 3**

তলৰ প্ৰশ্নবোৰৰ উত্তৰ সংস্কৃতত লিখা :

(क) पृथिव्यां कति रत्नानि ?

(ख) मूढै: कुत्र रत्नसंज्ञा विधीयते ?

(ग) कुत्र शिष्यज्ञानं प्रकाशयेत् ?

**OR / অথবা**

Write the Sanskrit Synonyms of any **three** of the following words : **1 × 3 = 3**

তলৰ শব্দবোৰ সংস্কৃত প্ৰতিশব্দ লিখা : (যি কোনো **তিনিটা**)

प्रदर्शनम्, वार्त्ता, कृपया, केवलम्, अनन्तरम् ।

5. Match the following words of Group A with the words of Group B : **1 × 3 = 3**

তলত দিয়া 'ক' অংশৰ শব্দবোৰ লগত 'খ' অংশৰ শব্দবোৰ মিলোৱা :

| **Group A / 'ক' অংশৰ** | **Group B / 'খ' অংশৰ** |
|---|---|
| एका | चित्राणि |
| कानिचित् | सह |
| सखिभि: | वार्त्ता |

Learnfo

6. (a) Derive any **two** of the following words : $1\frac{1}{2} \times 2 = 3$

তলৰ যি কোনো **দুটা** শব্দৰ ব্যুৎপত্তি লিখা :

(i) 'क्रीडन्ति' in Q. No. 1.(b)

1 নং (b) প্ৰশ্নত 'क्रीडन्ति'

(ii) 'जानामि' in Q. No. 1.(c)

1 নং (c) প্ৰশ্নত 'जानामि'

(iii) 'सन्ति' in Q. No. 1.(b)

1 নং (b) প্ৰশ্নত 'सन्ति'

(iv) 'कुर्यात्' in Q. No. 1.(c)

1 নং (c) প্ৰশ্নত 'कुर्यात्'

Learnfo

(b) Decline any **four** of the following words : $1 \times 4 = 4$

তলৰ যি কোনো **চাৰিটা** শব্দৰূপ লিখা :

(i) 'अस्मद्' in 5th case-ending dual

'अस्मद्' পঞ্চমী বিভক্তি দ্বিবচনত

(ii) 'गो' in 6th case-ending plural

'गो' ষষ্ঠী বিভক্তিৰ বহুবচনত

(iii) 'युष्मद्' in 2nd case-ending plural

'युष्मद्' দ্বিতীয়া বিভক্তি বহুবচনত

(iv) 'সখি' in 3rd case-ending singular.

'সখি' তৃতীয়া বিভক্তি একবচনত

(v) 'পিতৃ' in 4th case-ending dual

'পিতৃ' চতুৰ্থী বিভক্তি দ্বিবচনত

(vi) 'ৰাজন্' in 7th case-ending singular

'ৰাজন্' সপ্তমী বিভক্তি একবচনত

(c) Conjugate any **three** of the following : **1 × 3 = 3**

তলৰ যি কোনো তিনিটাৰ ধাতুৰূপ লিখা :

(i) √ दा + लृट् स्यामि

(ii) √ कृ + लङ् द्

(iii) √ अद् + लोट् हि

(iv) √ हन् + लृट् स्यामि

(v) √ नृत् + विधिलिङ् यात्

Learnfo